# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্য চৰকাৰৰ খাদ্য, গ্ৰাহক পৰিক্ৰমা, খনিজ আৰু বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে কালি কাছাৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰীৰায়ে অঞ্চলটোৰ গুৰুত্বপূৰ্ণ পথ প্ৰকল্পসমূহ অহা বছৰৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে এন এইচ আই ডি চি এলক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত বৰাপানী-পাঁচগ্ৰাম এক্সপ্ৰেছৱে, শিলচৰ-চুৰাইবাৰী, শিলচৰ-জিৰিবাম, শিলচৰ বাইপাছকে ধৰি কেইবাটাও প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কেপিটেল পইণ্টৰ পৰা সোণাই ৰোডলৈ পথ মেৰামতিৰ কাম শীঘ্ৰে আৰম্ভ কৰিবলৈও নিৰ্দেশ দিয়ে। সভাত কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দিৰ বিধায়ক, জিলা আয়ুক্ত, প্ৰশাসনিক বিষয়া আৰু এন এইচ আই ডি চি এলৰ বিষয়াসকল উপস্থিত থাকে।

oooooo

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম-জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয় চৌহদত সোৱণশিৰি হাট নামৰ এটা বিপনন কেন্দ্ৰ উদ্বোধন কৰে। নাবাৰ্ড আৰু জিলা খনিজ ফাউণ্ডেচন ট্ৰাষ্টৰ সহযোগত এই বিপণন কেন্দ্ৰটো পুনৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। আত্মসহায়ক গোট আৰু চি এল এফ সকলে যাতে এখন সংগঠিত বজাৰত তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ প্ৰদৰ্শন আৰু বিক্ৰীৰ সুবিধা লাভ কৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই বজাৰখনক নতুন ৰূপত নিৰ্মাণ কৰা হৈছে বুলি শ্ৰীপেগুৱে উল্লেখ কৰে। তেওঁ লগতে এই বজাৰৰ জৰিয়তে স্থানীয় উৎপাদক তথা উদ্যোগীসকলে এখন নিৰ্ভৰযোগ্য মঞ্চ লাভ কৰিব বুলি প্ৰকাশ কৰে।

(বাইট)

oooooo

শিলচৰৰ বংগ ভৱনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ তৃতীয় কাৰ্যনিৰ্বাহকৰ পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত হৈছে। কাছাৰ জিলা সাহিত্য সভাৰ সভাপতি ড০ যোগেশ্বৰ বৰ্মনে পতাকা উত্তোলনেৰে আৰম্ভ কৰিবলগীয়া এই কাৰ্যসূচীত স্মৃতিতৰ্পণ কৰা হ'ব। মন্ত্ৰী তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি কৌশিক ৰায়ে এই অধিৱেশন উদ্বোধন কৰিব। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ পৌৰহিত্বত হ'বলগীয়া কাৰ্যনিৰ্বাহক সভাত বৰাক বৈভৱ শীৰ্ষক স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভাৰ পত্ৰিকা আৰু বাৰ্তা উন্মোচন কৰা হ'ব। অনুষ্ঠানত সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ মাধুৰ্য মন্দিত বৰুৱা আৰু লোকসংস্কৃতিৰ গৱেষক তথা মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ অনিল শইকীয়া উপস্থিত থাকিব।

oooooo

মাজুলীত এইবাৰ শ্ৰীশ্ৰীকৃষ্ণ ৰাসলীলা মহোৎসৱ জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰা হ'ব। মাজুলী জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত কালি অনুষ্ঠিত এখন ৰাজহুৱা সভাত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাখনত মাজুলীৰ ৭০ খন ৰাস মহোৎসৱৰ প্ৰতিনিধি উপস্থিত থাকে। এইবাৰ মাজুলীবাসীয়ে দেৱালী উৎসৱতো আটচবাজি পৰিহাৰ কৰা মাটিৰ চাকিৰে পোহৰৰ উৎসৱ উদযাপন কৰি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাব বুলি একেখন বৈঠকতে

সিদ্ধান্ত গ্ৰহণ কৰা হয়। মাজুলী সাংস্কৃতিক মহাবিদ্যালয়খন জুবিন গাৰ্গৰ নামেৰে নামকৰণ কৰা সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। এই বৈঠকত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, আৰক্ষী অধীক্ষক বিবেকানন্দ দাস উপস্থিত থাকে।

০০০০০০

ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিত দুই লাখ নিবনুৱাক নিযুক্তিৰ দিশে অগ্ৰসৰ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডে কালি ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে ৰাজ্যৰ শিক্ষিত যুৱক-যুৱতীসকলৰ নিয়োগৰ পথ প্ৰশস্ত হৈছে। আজি অসম আৰক্ষীৰ কনিষ্টবল পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। বিগত সময়ছোৱাত এক লাখ চাকৰিত নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বৰ্তমান চৰকাৰ দুই লাখ নিযুক্তিৰ দিশে আগবাঢ়িছে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ পৰিবহণ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ ফুলবাগানৰ সমীপত জোগাৰ্ছ পাৰ্ক আৰু কছাৰী ঘাটৰ খহনীয়া পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শনৰ অন্তত খহনীয়া ৰোধৰ বাবে তৎকালীনভাৱে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খহনীয়াস্থলী পৰিদৰ্শন কৰি সামগ্ৰিক অৱস্থাৰো বুজ লয়। তেওঁ লগতে অধিক ক্ষয়-ক্ষতি ৰোধৰ বাবে ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০

সমাপ্ত